প্ৰকৃত মুক্তিৰ বাবে কেৱল আইনগত সমতাই যথেষ্ট নহয়। পুঁজিবাদী ব্যৱস্থা আৰু ব্যক্তিগত সম্পত্তিৰ প্ৰথা বিলুপ্ত কৰি উৎপাদন উপায় সমূহৰ সামাজিক মালিকানা প্ৰতিষ্ঠা কৰিব লাগিব। তেতিয়াহে আৰ্থিক সমতা নিশ্চিত হ'ব আৰু নাৰী পুৰুষৰ ওপৰত নিৰ্ভৰশীল হৈ নাথাকিব।

যদিও এই তত্ত্বৰ উপৰত সমালোচনা আছে যে ই নাৰীৰ সাংস্কৃতিক আৰু মানসিক সমস্যা সমূহৰ ওপৰত কম গুৰুত্ব দিয়ে তথাপি আৰ্থিক শোষণ আৰু শ্ৰেণীভিত্তিক বৈষম্য বিশ্লেষণ কৰাৰ ক্ষেত্ৰত মাৰ্ক্সবাদী নাৰীবাদীৰ অৱদান অত্যন্ত গুৰুত্বপূৰ্ণ।

<u>সমাজবাদী নাৰীবাদঃ</u>

সমাজবাদী নাৰীবাদ হৈছে নাৰীবাদৰ এক গুৰুত্বপূৰ্ণ এক ধাৰা যিয়ে মাৰ্ক্সবাদী আৰু উগ্ৰনাৰীবাদী চিন্তাধাৰা একেলগে সংযুক্ত কৰি নাৰীৰ দমন আৰু উৎপীড়নৰ কাৰণ ব্যাখ্যা কৰে এই তত্ত্বৰ মতে নাৰীৰ অৱনতি কেৱল পুঁজিবাদী অৰ্থনীতি ব্যৱস্থাৰ ফল নহয় কেৱল পিতৃতান্ত্ৰিক সমাজব্যৱস্থাৰ ফলো নহয়। বৰঞ্চ এই দুয়োটা ডাৰ্থনি মিলি নাৰীৰ ওপৰত দমন উৎপীড়ন চলাই আহিছে অৰ্থাৎ নাৰীৰ সমস্যা বুজিবলৈ হ'লে অৰ্থনৈতিক শোষণ আৰু লিংগ ভিত্তিক আধিপত্য এই দুয়োটা দিশ একেলগে বিশ্লেষণ কৰিব লাগিব।

সমাজবাদী নাৰীবাদৰ মতে পুঁজিবাদী নাৰীসকল হস্তীয়া শ্ৰমিক হিচাপে ব্যৱহাৰ কৰা হয় আৰু ঘৰুৱা কাম কাজ আৰু সন্তান পালন আদি দায়িত্ব বিনামূলীয়াকৈ তেওঁলোকৰ ওপৰত ন্যস্ত কৰা হয়। এই ঘৰুৱা কাম কাজৰ অৰ্থ সমাজৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ হলেও ইয়াৰ কোনো আৰ্থিক মূল্য স্বীকাৰ

কৰা হয় । ফলত নাৰীসকল আৰ্থিকভাৱে পুৰুষৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে । একে সময়তে পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাই নাৰীক “ঘৰৰ ভিতৰৰ ব্যক্তি” হিচাপে সীমাবদ্ধ কৰি ৰাখে আৰু ৰাজনৈতিক, সামাজিক, আৰু সাংস্কৃতিক ক্ষেত্ৰত পিছ পেলাই ৰাখে ।

এই তত্ত্ব মতে নাৰীৰ দমন দুটা মুখ্য গাথঁনিৰ জৰিয়তে সংঘটিত হয় । (i) পুঁজিবাদ, যিয়ে আৰ্থিক শোষণ কৰে, (ii) পিতৃতন্ত্ৰ যিয়ে সামাজিক আৰু সাংস্কৃতিক আধিপত্য স্থাপন কৰে । সেয়েহে নাৰীৰ মুক্তিৰ বাবে কেৱল আইন সমান বা কেৱল পুঁজিবাদৰ বিলুপ্ত কৰাই যথেষ্ট নহয়, সমাজৰ সম্পূৰ্ণ সামাজিক অৰ্থনৈতিক গাথঁনি পৰিৱৰ্তন কৰিব লাগিব ।

সমাজবাদী নাৰীবাদে নাৰীৰ আৰ্থিক স্বাৱলম্বীতা, সমান মজুৰী, কৰ্ম ক্ষেত্ৰত সমান সুযোগ, মাতৃত্বকালীন সুৰক্ষা, শিশু যত্নৰ সামাজিক ব্যৱস্থা আৰু গৃহস্থালী কামত সামাজিক স্বীকৃতিৰ ওপৰত গুৰুত্ব দিয়ে । তেওঁলোকে বিশ্বাস কৰে যে যদি নাৰীসকল সমাজত আৰ্থিক ভাৱে স্বাৱলম্বী হয় আৰু গৃহস্থালীৰ কামতো উৎপাদনশীল শ্ৰম হিচাপে স্বীকাৰ কৰে, তেনে ক্ষেত্ৰত নাৰীৰ অৱস্থা উন্নত হ'ব ।

এই ধাৰাই লিংগ ভিত্তিক ভূমিকাৰ সমালোচনা কৰে । সমাজে যি ধাৰণাৰ সৃষ্টি কৰিছে যে পুৰুষ উপাৰ্জন কৰী আৰু নাৰী গৃহিনী - এই ধাৰণাই বৈষম্য বঢ়াই তুলে বুলি সমাজবাদী নাৰীবাদে মত প্ৰকাশ কৰে । সেয়েহে পৰিয়াল ব্যৱস্থাটো সমান দায়িত্ব আৰু অংশ গ্ৰহণৰ প্ৰয়োজন আছে ।

যদিও সমালোচক সকলে কয় যে এই তত্ত্ব অত্যন্ত জটিল আৰু একে লগে বহু কাৰকৰ বিশ্লেষণ কৰাৰ চেষ্টা

কৰে, তথাপি নাৰীৰ সমস্যা সম্যকভাৱে বুজিবলৈ সমাজবাদী নাৰীবাদ অত্যন্ত গুৰুত্বপূৰ্ণ।